**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-2-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

**----------------------------**

আমেৰিকা যুক্তৰাষ্ট্ৰত অবৈধভাৱে বসবাস কৰা ভাৰতীয় লোকক দেশখনৰ পৰা বিতাৰণ কৰাৰ বিষয়ক লৈ বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি সংসদৰ দুয়োখন সদনৰ কাম-কাজ দিনৰ ১২ বজালৈ স্থগিত ৰখা হয়। লোকসভাত আজি পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত কংগ্ৰেছ, সমাজবাদী পাৰ্টি, তৃণমূল কংগ্ৰছকে ধৰি অন্যান্য বিৰোধী দলসমূহে বিষয়টোৰ আলোচনাৰ দাবীত শ্ল'গান দিবলৈ আৰম্ভ কৰে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই এই বিষয়টোত এখন বিদেশী ৰাষ্ট্ৰ জড়িত হৈ আছে বুলি উল্লেখ কৰি প্ৰতিবাদৰত সদস্যসকলক সদনৰ কাম-কাজ নিয়াৰিকৈ আগবঢ়াই নিয়াত সহযোগত কৰিবলৈ আহ্বান জনায়। ইয়াৰ পাছতো বিৰোধী সদস্যসকলে প্ৰতিবাদ অব্যাহত ৰখাত অধ্যক্ষই নিম্ন সদনৰ কাম-কাজ দিনৰ ১২ বজালৈ স্থগিত ৰাখে।

০০০০০০

ৰাজ্যৰ পৌৰ নিগম নিকায়সমূহত অস্থায়ী হিচাপে ২০১৩ চনৰ পূৰ্বৰে পৰা কৰ্মৰত কৰ্মচাৰীসকলৰ চাকৰি নিয়মীয়াকৰণৰ লক্ষ্যৰে অসম পৌৰনিগম কৰ্মচাৰীৰ প্ৰাদেশিকীকৰণ বিধেয়ক ২০২৫ত অনুমোদন জনোৱা হৈছে। কালি অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত লোৱা হয়। এই বিধেয়কৰ জৰিয়তে ৰাজ্যৰ ৭১ খন পৌৰ নিকায়ৰ এহেজাৰ ৪৪ গৰাকী কৰ্মচাৰীৰ চাকৰি প্ৰাদেশিকীকৰণ কৰিবলৈ বিচৰা হৈছে। নিয়মীয়াকৰণৰ পাছত এই কৰ্মচাৰীসকল পৌৰ প্ৰশাসন সঞ্চালকালয়ৰ অধীনস্থ কৰ্মচাৰীত পৰিণত হ'ব আৰু তেওঁলোকৰ চাকৰিত বদলিৰ সুবিধা থাকিব। মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই এই বিষয়ে সদৰি কৰে। বৈঠকত অন্য ৰাজ্যৰ পৰা অসমলৈ কৰ ফাঁকি দি সামগ্ৰী অনাটো বন্ধ কৰা আৰু নিৰীক্ষণ কৰাৰ অৰ্থে অসম মূল্য সংযোজিত কৰ সংশোধনী নিয়মাৱলী ২০২৫ৰ খচৰাৰ লগতে অসম ৰাজহুৱা বিতৰণ সংশোধনী আদেশ ২০২৫ত অনুমোদন জনায়। এই আদেশৰ আধাৰত এতিয়াৰে পৰা সুলভ মূল্যৰ দোকানৰ অনুজ্ঞা পত্ৰ নৱীকৰণৰ ম্যাদ তিনিবছৰৰ পৰা পাঁচবছৰলৈ বৃদ্ধি কৰা হ'ব।

০০০০০০

স্বচ্ছ শক্তিৰে জনসাধাৰণৰ বিদ্যুতৰ চাহিদা পূৰণ কৰাৰ অৰ্থে চৰকাৰে আৰম্ভ কৰা প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ যোজনাৰ অধীনত ৰাজ্যৰ ৬ হাজাৰ ৫০০টা পৰিয়ালে নিজৰ ঘৰৰ ছাদত সৌৰ পেনেল স্থাপন কৰি বিদ্যুৎ সেৱা লাভ কৰিবলৈ সমৰ্থ হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই কথা উল্লেখ কৰি কয়, যে এই সৌৰ পেনেলৰ জৰিয়তে ২৪ মেগাৱাটতকৈ অধিক শক্তি উৎপাদন কৰিব পৰা যায়। ইয়াৰ ফলত ৰাহি হোৱা বিদ্যুৎ সঞ্চয়ো সম্ভৱ হৈ উঠিছে বুলি ড০ শৰ্মাই প্ৰকাশ কৰিছে।

০০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি বিভিন্ন কাৰ্যসূচীৰে কাছাৰ জিলা ভ্ৰমণ কৰিছে। মন্ত্ৰীগৰাকীয়ে পুৱাৰ ভাগত শিলচৰৰ নাৰ্ছিং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ গুণোৎসৱৰ কাৰ্যসূচীত অংশ লয়। তেওঁ লগতে

শিলচৰৰ মনমোহন মজুমদাৰ বালিকা বিদ্যা নিকেতন হাইস্কুলত বহিঃমূল্যায়ন কৰি ছাত্ৰ-ছাত্ৰীসকলৰ পাৰদৰ্শিতাৰ শলাগ লয়। ডাঃ পেগুৱে আজি দিনৰ ভাগত শিলচৰ পলিটেকনিক মহাবিদ্যালয়ৰ লগতে ৰাধা মাধৱ মহাবিদ্যালয় পৰিদৰ্শন কৰিব।

000000

গোলাঘাট জিলাৰ নামবৰ-দৈগ্ৰুং সংৰক্ষিত বন্যপ্ৰাণী অভয়াৰণ্যৰ মুৰফুলনী অঞ্চলৰ বিজুলী বন শিবিৰৰ সমীপত যোৱা নিশা বনৰীয়া হাতীৰ আক্ৰমণত এজন লোকৰ মৃত্যু হয়। থুৰামুখ-বগীজান সংযোগী পথেৰে ঘৰলৈ উভতাৰ পথত লোকজনক বনৰীয়া হাতীয়ে আক্ৰমণ কৰে। নিহত লোকজন এক নম্বৰ মুৰফুলনীৰ কুইনদা ভূমিজ বুলি জানিব পৰা গৈছে।

000000

প্ৰাক্তন সৈনিক কল্যাণ বিভাগৰ অন্তৰ্গত পুনৰসংস্থাপন মহানিৰ্দেশালয়ৰ উদ্যোগত গুৱাহাটীৰ নাৰেঙ্গী সামৰিক কেন্দ্ৰৰ ব্ৰহ্মপুত্ৰ প্ৰেক্ষাগৃহত কাইলৈ নিয়োগ মেলাৰ আয়োজন কৰা হৈছে। এই নিয়োগ মেলাত দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন, পুনৰসংস্থাপন মহানিৰ্দেশক, মেজৰ জেনেৰেল এছ্ বি কে সিঙকে ধৰি কেইবাগৰাকী মেজৰ আৰু ব্ৰিগেডিয়াৰ উপস্থিত থাকিব। এই নিয়োগ মেলাত ৩৫টাতকৈ অধিক কৰ্পৰেট সংস্থাই নিয়োগ প্ৰদানকাৰী হিচাপে যোগদান কৰিব। মেলাত ৫০০ৰো অধিক প্ৰাক্তন সৈনিকে নিয়োগ বিচাৰি অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

000000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত শনিবাৰে নিশা ৮ বাজি ২ মিনিটত পৰীক্ষাৰ সময়ত পৰীক্ষাৰ্থীৰ মানসিক চাপ আৰু ইয়াৰ সমাধান সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত অসম জাতীয় বিদ্যালয়ৰ শিক্ষয়িত্ৰী অপৰ্ণা দেৱী আৰু মনোৰোগ বিশেষজ্ঞ ডাঃ মৈথিলী হাজৰিকাই অংশগ্ৰহণ কৰিব। এই আলোচনাৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে। অনুষ্ঠান চলি থকা সময়ত শ্ৰোতাসকলে ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটোত পোনপটীয়াকৈ অংশ ল'ব পাৰিব।

000000

যোৰহাটত আজি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশন আৰম্ভ হৈছে। জিলাখনৰ ম'হবন্ধাৰ এৰালতলী পথাৰত চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই অধিৱেশনথলী অসমৰ বিভিন্ন প্ৰান্তৰ ভকত-বৈষ্ণৱৰ হৰিনামৰ ধ্বনিৰে মুখৰ হৈ উঠিছে। আজি পুৱা পৰিৱেশ নিকাকৰণ আৰু গছপুলি ৰোপণ কাৰ্যসূচীৰে অধিৱেশনৰ শুভাৰম্ভ কৰা হয়। পৰহিলৈ হ'বলগীয়া মুকলি সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ কথা। এই অধিৱেশনত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ লগতে দেশৰ ভিন্ন প্ৰান্তৰ ভকত-বৈষ্ণৱসকলেও অংশ লৈছে।

000000

**সমাপ্ত**